# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত আজি দ্বিতীয় পৰ্যায়ৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হ'ব। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। অৱশ্যে এই ৰাজ্যসমূহৰ ভিতৰত অসমক অন্তৰ্ভুক্ত কৰা হোৱা নাই। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কালি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে এই পৰ্যায়ত উত্তৰ প্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান, তামিলনাডু, পশ্চিমবংগ, গোৱা, কেৰালা, পুডুচেৰী, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ তথা লাক্ষাদ্বীপত এই প্ৰক্ৰিয়া ৰূপায়ণ কৰা হ'ব। আজিৰে পৰা অহা ৩ নৱেম্বৰলৈ ভোটাৰ গণনা প্ৰপত্ৰ ছপা কৰাৰ লগতে বুথ পৰ্যায়ৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। অহা ৪ ডিচেম্বৰলৈ এই গণনা প্ৰক্ৰিয়া চলি থাকিব আৰু খচৰা ভোটাৰ তালিকা ৯ ডিচেম্বৰত প্ৰকাশ পাব।

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনীৰ দ্বিতীয় পৰ্যায়ত অসমকো সামৰি লোৱাৰ কথা আছিল যদিও অৱশেষত অসমক এই পৰ্যায়ত বাদ দিয়া হয়। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত কয়, যে অসমত নাগৰিকত্ব আইনৰ নিজা বিধান আছে আৰু ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অৰ্থাৎ এন আৰ চিৰ কাম সম্পূৰ্ণ হোৱাৰ পথত আগবঢ়াৰ পৰিপ্ৰেক্ষিততে অসমক এইবাৰ ভোটাৰ তালিকাৰ সংশোধনীৰ পৰা বাহিৰত ৰখা হৈছে। অসমৰ বাবে পৰৱৰ্তী সময়ত সুকীয়া নিৰ্দেশ জাৰি কৰা হ'ব বুলি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট (জ্ঞানেশ কুমাৰ)**

০০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত কালি ডিব্ৰুগড়ৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। যোৱা দুই অক্টোবৰত জিলা প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছিল যদিও কালি এই দিৱস বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনোৱাৰ লগতে জিলা প্ৰশাসনৰ আটাইবোৰ বিষয়া-কৰ্মচাৰীয়ে শিল্পীগৰাকীৰ মায়াবিনী গীতটো পৰিৱেশন কৰে। বিশিষ্ট অতিথি পেইম থি গোহাঁয়ে ডিব্ৰুগড় জিলাৰ ইতিহাস সন্দৰ্ভত আলোকপাত কৰে। জিল আয়ুক্ত বিক্ৰম কৈৰীয়ে জিলাখনৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰে। জিলা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে এখন নাট পৰিৱেশন কৰা হয়। অনুষ্ঠানত বিভিন্ন বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটী মহানগৰীৰ দিশপুৰ আৰক্ষীয়ে বীৰ লাচিত সেনা নামৰ সংগঠনৰ মুখ্য সচিবকে ধৰি ৫ জন সদস্যক ধন দাবী আৰু অপহৰণৰ গোচৰত কালি আটক কৰাৰ পাছতেই সংগঠনটোৰ প্ৰশাসনিক সচিব শৃংখল চলিহাই কালি শিৱসাগৰত এখন সংবাদমেলৰ আয়োজন কৰে। তেওঁ এই বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শীঘ্ৰেই তেওঁলোকক মুকলি কৰি দিবলৈ চৰকাৰক দাবী জনায়। শৃংখল চলিহাই বীৰ লাচিত সেনাৰ বিৰুদ্ধে চৰকাৰে ৰাজনৈতিক ষড়যন্ত্ৰ কৰা বুলিও অভিযোগ উত্থাপন কৰে। তেওঁ লগতে সংগঠনটো কেৱল অসম আৰু অসমীয়াৰ বাবেহে দায়বদ্ধ বুলি উল্লেখ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, কালি এখন সংবাদমেল সম্বোধন কৰি থকা অৱস্থাতে সংগঠনটোৰ মুখ্য সচিব ৰণ্টু পানী ফুকন আৰু কেন্দ্ৰীয় সমিতিৰ সদস্য তন্ময় ফুকনক আৰক্ষীয়ে আটক কৰে। সংগঠনৰ দুয়োগৰাকী নেতাক আটক কৰি আৰক্ষীয়ে দিশপুৰ থানাত দুয়োকে সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০

হিন্দু ধৰ্মাৱলম্বীসকলৰ পৱিত্ৰ উৎসৱ ষট্‌ পূজাৰ কালি তৃতীয় দিনটোত শিৱসাগৰৰ দিখৌ নদীৰ পাৰত হিন্দীভাষী উত্তৰ-ভাৰতীয় লোকসকলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। ভক্তসকলে ধৰ্মীয় ৰীতি-নীতি পালনৰ লগতে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনায়। ইপিনে পূৰ্বোত্তৰ হিন্দুস্তানী যুৱ মঞ্চৰ উদ্যোগত শিৱসাগৰৰ থানা ঘাটত কালি অসংখ্য ভক্তৰ ভিৰ দেখা যায়। বিগত দিনকেইটাত ভক্তসকলে ব্ৰত, উপবাস, আদি ৰাখি আজি সূৰ্য উদয়ৰ পৱিত্ৰ ক্ষণত সূৰ্য দেৱতাক অৰ্ঘ প্ৰদান কৰি ধৰ্মীয় ৰীতি-নীতিৰে এই পূজা সমাপন কৰে।

০০০০০০

কাছাৰ আৰক্ষীয়ে কালি কাছাৰত পুনৰ এগৰাকী ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। ইয়াকে ধৰি জিলাখনত গ্ৰেপ্তাৰ হোৱা ভুৱা চিকিৎসকৰ সংখ্যা ১৫লৈ বৃদ্ধি হৈছে। বিগত কেইবাটাও দিনত আৰক্ষীয়ে জিলাখনত ভুৱা চিকিৎসকৰ সন্ধানত অভিযান চলাই আহিছে। এই অভিযানত আৰক্ষীয়ে কালি সোণাই থানাৰ অন্তৰ্গত নগদিৰগ্ৰামৰ বাসিন্দা ডাঃ ৰাজুল হক লস্কৰক গ্ৰেপ্তাৰ কৰিছে। অভিযুক্তগৰাকীয়ে নিজকে চিকিৎসক হিচাপে ভুৱা পৰিচয়েৰে বেবী হেলথ কেয়াৰ নামৰ এখন ক্লিনিক অবৈধভাৱে চলাই আহিছিল।

০০০০০০

**সমাপ্ত**